**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 26-03-2025 **Time :** 1800 Hrs.

***Assamese Evening Bulletin***

গুণোৎসৱ, ২০২৫-ৰ ফলাফল কাইলৈ ঘোষণা কৰা হ'ব। শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগুৱে আজি সামাজিক মাধ্যমযোগে এই কথা প্ৰকাশ কৰিছে। এই উপলক্ষে আয়োজিত অনুষ্ঠানত চলিত বৰ্ষৰ গুণগত মানৰ ঐক্যসাজ প্ৰদান আৰু মুক্ত, নিকা তথা স্বচ্ছভাৱে মূল্যায়ন কাৰ্যসূচী অনুষ্ঠিত কৰাৰ বাবে বাছনিকৃত তিনিখন জিলাক প্ৰশংসামূলক বঁটা প্ৰদান কৰা হ'ব। ইয়াৰ উপৰি অনুষ্ঠানত আৰোহণ কাৰ্যসূচীৰ অধীনত ৪ হাজাৰ ৩২০ গৰাকী শিক্ষাৰ্থীক টেবলেট প্ৰদান কৰা হ'ব আৰু যোৱাবছৰৰ গুণোৎসৱত এ প্লাছ গ্ৰেড লাভ কৰা ১১ হাজাৰ ৫৯৪ খন বিদ্যালয়ক উৎকৃষ্টতাৰ স্বীকৃতি আৰু ২৫ হাজাৰ টকাকৈ উদ্দগনিমূলক অনুদান আগবঢ়োৱা হ'ব। উল্লেখযোগ্য যে ৰাজ্যৰ প্ৰতিগৰাকী শিক্ষাৰ্থীক গুণগত শিক্ষা দানৰ সংকল্পৰে চৰকাৰে ২০১৭ চনৰ পৰা অনুষ্ঠিত কৰি অহা গুণোৎসৱত এইবেলি ৪৪ হাজাৰ ৭৭ খন বিদ্যালয়ৰ ৩৮ লাখ ৯৮ হাজাৰৰো অধিক শিক্ষাৰ্থীৰ বিদ্যায়তনিক মূল্যায়ন কৰা হৈছে।

0000000

ৰাজ্যৰ ১১ খন জিলাৰ নিৰ্বাচিত ২০০ খন নিম্ন প্ৰাথমিক বিদ্যালয়ত অনাগত শিক্ষাবৰ্ষত মিছিং ভাষাৰ মাধ্যমত পাঠদান আৰম্ভ হ'ব। জনতা ভৱনত শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগুয়ে আজি জিলা প্ৰাথমিক শিক্ষা বিষয়া আৰু সৈতে এখন ভাৰ্চুৱেল বৈঠকত মিলিত হয়। এই বৈঠকতে শিক্ষামন্ত্ৰীগৰাকীয়ে নিৰ্বাচিত বিদ্যালয়কেইখনত অহা ২ এপ্ৰিলৰ পৰা মিছিং ভাষাৰ মাধ্যমত পাঠদান আৰম্ভ হ'ব বুলি ঘোষণা কৰে। বৈঠকখনত মিছিং স্বায়ত্বশাসিত পৰিষদৰ কাৰ্যালয়ৰ বিষয়ববীয়াও উপস্থিত থাকে। উল্লেখযোগ্য যে নতুন শিক্ষা পদ্ধতি ২০২০ৰ কাৰ্যকৰীকৰণেৰে ৰাজ্য চৰকাৰে এই ব্যৱস্থা গ্ৰহণ কৰিছে।

0000000

ধেমাজি জিলা আৰু ছেচন আদালতে আজি চাৰিটা পক্‌ছ' গোচৰৰ অভিযুক্তক দোষী সাব্যস্ত কৰি শাস্তি প্ৰদান কৰিছে। ইয়াৰে প্ৰথমটো গোচৰত ন্যায়াধীশ কৌশিক হাজৰিকাৰ আদালতে চিলাপথাৰ আৰক্ষী থানাৰ অন্তৰ্গত সাক্ষীচৰণ বিশ্বাস নামৰ এজন লোকক দুগৰাকী নাবালিকাক ধৰ্ষণৰ অভিযোগত দোষী সাব্যস্ত কৰি ৩০ বছৰৰ সশ্ৰম কাৰাদণ্ড আৰু ৩০ হাজাৰ টকাৰ জৰিমণা বিহে।

আনটো গোচৰত আদালতে ধেমাজি আৰক্ষী থানাৰ অন্তৰ্গত মিলন নগৰৰ তিলক শইকীয়া নামৰ এজন লোকক নাবালিকা ধৰ্ষণৰ অভিযোগত দোষী সাব্যস্ত কৰি ২০ বছৰৰ সশ্ৰম কাৰাদণ্ড আৰু ৩০ হাজাৰ টকাৰ জৰিমণা বিহে। তৃতীয়টো গোচৰত একেখন আদালতে গোগামুখ আৰক্ষী থানাৰ অন্তৰ্গত বৈজয়ন্তীপুৰৰ দীপক ৰুচাল নামৰ এজন লোকক এগৰাকী নাবালিকাক ধৰ্ষণ কৰাৰ অভিযোগত দোষী সাব্যস্ত কৰে আৰু তেওঁক পক্‌ছ' আইনৰ অধীনত ২০ বছৰ সশ্ৰম কাৰাদণ্ড আৰু ৩০ হাজাৰ টকাৰ জৰিমণা বিহে। আদালতে আজি নাবালিকা ধৰ্ষণৰ আন এটা গোচৰৰ অভিযুক্ত চিলাপথাৰৰ ২ নম্বৰ চিলিৰ চেনাই চাংমাই নামৰ আন এজন লোকক ছবছৰৰ কাৰাদণ্ড আৰু ১৫ হাজাৰ টকাৰ জৰিমণা বিহে। পঞ্চমটো গোচৰত ন্যায়াধীশ কৌশিক হাজৰিকাৰ আদালতে আজি ২০১৭ চনত এগৰাকী মহিলাক হত্যাৰ চেষ্টাৰ অভিযোগত জোনাইৰ লালবাবু কৰ্মকাৰ নামৰ এজন লোকক ১০ বছৰৰ কাৰাদণ্ড আৰু ২০ হাজাৰ টকাৰ জৰিমণা বিহে বুলি চৰকাৰী অধিবক্তা অজয় ফোগলাৰ উদ্ধৃতি দি আমাৰ ধেমাজিৰ সংবাদদাতাই জনাইছে।

0000000

অসম বিধানসভাৰ ৰাজহুৱা হিচাপ সমিতিৰ এটা প্ৰতিনিধি দলে আজি হোজাই জিলাত উপস্থিত হৈ জিলাখনত

ৰূপায়ণ হৈ থকা বিভিন্ন চৰকাৰী আঁচনিৰ কাম-কাজ পৰিদৰ্শন কৰে। পৰিদৰ্শনৰ অন্তত আবেলি জিলা সদৰ শ্ৰীমন্ত শংকৰদেৱ নগৰৰ জিলা আয়ুক্তৰ কাৰ্যালয়ৰ সভাগৃহত আয়ুক্ত আৰু জিলাখনৰ বিভিন্ন বিভাগৰ উচ্চ পদস্থ বিষয়াসকলৰ উপস্থিতিত এখন পৰ্যালোচনা সভাত মিলিত হয়। বিভাগীয় বিষয়াসকলে জিলাখনৰ বিভিন্ন আঁচনিসমূহৰ খতিয়ান দাঙি ধৰে। সমিতিখনৰ প্ৰতিনিধিৰ

দলটোত আছে- ৰমেন্দ্ৰ নাৰায়ণ কলিতা, উৎপল বৰা, কৰিমুদ্দিন বৰভূঞা, ভৰেন্দ্ৰ নাথ ভৰালী, চক্ৰধৰ গগৈ, ৰামকৃষ্ণ ঘোষ আৰু শিৱ মিশ্ৰ।

০০০০০০০

গুৱাহাটীত কালি গ্ৰেপ্তাৰ কৰা পোৰ্টেল চেনেলৰ সাংবাদিক তথা গুৱাহাটী প্ৰেছ ক্লাবৰ সহকাৰী সাধাৰণ সম্পাদক দিলোৱাৰ হুছেইন মজুমদাৰক আজি গুৱাহাটীৰ মুখ্য ন্যায়িক দণ্ডাধীশৰ আদালতত হাজিৰ কৰোৱা হয়। তেওঁৰ অধিবক্তাই দাখিল কৰা জামিন আবেদন আদালতে নাকচ কৰে। সাংবাদিক দিলোৱাৰ হুছেইন মজুমদাৰৰ গ্ৰেপ্তাৰৰ বিৰোধিতা কৰি আজি গুৱাহাটী প্ৰেছ ক্লাবত সাংবাদিকসকলে প্ৰতিবাদ সাব্যস্ত কৰে। কেইবাগৰাকীও সম্পাদক আৰু জ্যেষ্ঠ সাংবাদিককে ধৰি সংবাদ মাধ্যমৰ সাংবাদিকসকলে ক'লা বেজ পৰিধান কৰি এই প্ৰতিবাদী কাৰ্যসূচীত ভাগ লয়। সাংবাদিকসকলে প্ৰতিবাদী সমদল উলিয়াই পাণবজাৰ থানালৈ অগ্ৰসৰ হোৱাৰ সময়ত আৰক্ষীয়ে তেওঁলোকক বাধা দিয়ে আৰু সাংবাদিকৰ সৈতে আৰক্ষীৰ কথা কটাকটি হয়। পাছত সাংবাদিকসকলে গুৱাহাটী প্ৰেছ ক্লাবত এখন প্ৰতিবাদী সভাত মিলিত হৈ এই গ্ৰেপ্তাৰ কাৰ্যক সম্পূৰ্ণ অযুক্তিকৰ আৰু সংবাদ মাধ্যমৰ স্বাধীনতাৰ ওপৰত প্ৰত্যক্ষ হস্তক্ষেপ বুলি অভিযোগ কৰে আৰু সাংবাদিকগৰাকীক বিনাচৰ্তে মোকলাই দিবলৈ দাবী জনায়।

ৰাজ্যখনৰ বিভিন্ন প্ৰান্তৰ সাংবাদিকসকলেও আজি সাংবাদিক দিলোৱাৰ হুছেইন মজুমদাৰৰ গ্ৰেপ্তাৰৰ প্ৰতিবাদত প্ৰতিবাদী কাৰ্যসূচীত ভাগ লয় বুলি আমাৰ সংবাদদাতাসকলে জনাইছে। গুৱাহাটী প্ৰেছ ক্লাব, প্ৰেছ কাউঞ্চিল অব্ ইণ্ডিয়া, ভাৰতীয় জাৰ্ণেলিষ্ট সংঘ, ভাৰতীয় প্ৰেছ ক্লাব, অসম বাৰ্তাজীৱী সংঘৰ লগতে বিভিন্ন দল-সংগঠনে এই ঘটনাৰ গৰিহণা দিছে। এই সন্দৰ্ভত গুৱাহাটী প্ৰেছ ক্লাবৰ সভাপতি সুস্মিতা গোস্বামীয়ে এইদৰে কয় –

-ভইচ-

আমাৰ আগৰ বাতৰিতে কোৱা হৈছে যে কালি গুৱাহাটীৰ পাণবজাৰৰ এপেক্স বেংকৰ কাৰ্যালয়ত তথ্য সংগ্ৰহৰ বাবে প্ৰৱেশ কৰা সাংবাদিকগৰাকীক আৰক্ষীয়ে প্ৰথমে পাণবজাৰ থানালৈ লৈ যায়। থানাত প্ৰায় ৮ ঘণ্টা সময় তেওঁক বহুৱাই ৰখাৰ পাছত আৰক্ষীয়ে কৰ্তব্যৰত কৰ্মচাৰীৰ বিৰুদ্ধে আপত্তিজনক শব্দ ব্যৱহাৰৰ অভিযোগত সাংবাদিকগৰাকীক জামিন অযোগ্য ধাৰাত গ্ৰেপ্তাৰ কৰে। তেওঁৰ বিৰুদ্ধে ভাৰতীয় ন্যায় সংহিতাৰ ১১০/২৫ ধাৰাত গোচৰ ৰুজু কৰা হৈছে।

০০০০০০

শ্ৰোতাসকলৰ বিপুল দাবীৰ প্ৰতি সঁহাৰি জনাই আকাশবাণী গুৱাহাটীৰ বাতৰি বিভাগৰ জনপ্ৰিয় অনুষ্ঠান 'জিলাৰ ৰেহৰূপ' পুনৰ সন্ধিয়াৰ পৰিৱৰ্তে পুৱাৰ ভাগত প্ৰচাৰৰ দিহা কৰা হৈছে। সেই অনুসৰি অহা ১ এপ্ৰিলৰ পৰা জিলাৰ ৰেহৰূপ অনুষ্ঠান প্ৰতিদিনে পুৱাৰ আঞ্চলিক বাতৰিৰ ঠিক পাছতেই অৰ্থাৎ ৯ বাজি ১৫ মিনিটৰ পৰা ৯ বাজি ২০ মিনিটলৈ প্ৰচাৰিত হ'ব। উল্লেখযোগ্য যে কোভিড কালত বিভিন্ন অনুষ্ঠানৰ সময় পৰিৱৰ্তনৰ বাবে জিলাৰ ৰেহৰূপৰ প্ৰচাৰ বন্ধ কৰা হৈছিল আৰু পৰৱৰ্তী কালত ইয়াক সন্ধিয়া ৭ বাজি ৫ মিনিটত প্ৰচাৰ কৰাৰ ব্যৱস্থা কৰা হৈছিল।

০০০০০০০

**সমাপ্ত**